بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৭ অক্টোবৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যিদৰে যোৱা খোতবাত তবুকৰ যুদ্ধ সম্পৰ্কে চমুকৈ বৰ্ণনা কৰিছিলোঁ, আজি ইয়াৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰিম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে তবুকৰ যুদ্ধৰ পটভূমি বৰ্ণনা কৰি কৈছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে মক্কা জয় কৰিছিল তেতিয়া আবু আমিৰ মাদনি যিজন খজৰজ জনগোষ্ঠীৰ আছিল, ইহুদী আৰু খ্ৰীষ্টান সকলৰ সৈতে সাক্ষাৎ কৰাৰ বাবে লোকসকলে তেওঁক সন্ন্যাসী বুলি কৈছিল, তেওঁ আল্লাহৰ স্মৰণ আৰু সহায় প্ৰদানৰ অভ্যস্ত আছিল। কিন্তু তেওঁ খ্ৰীষ্টান ধৰ্মৰ নাছিল। ৰছুলুল্লাহ (ছাঃ)য়ে মদিনা অহাৰ পিছত এই ব্যক্তিজন মক্কালৈ পলায়ন কৰিছিল। যেতিয়া মক্কা বিজয় হৈছিল তেতিয়া তেওঁ ইছলামৰ বিৰুদ্ধে বিদ্ৰোহ সৃষ্টিৰ নতুন পৰিকল্পনা চিন্তা কৰিবলৈ ধৰিলে। অৱশেষত নাম আৰু শৈলী সলনি কৰি মদিনাৰ ওচৰত কুবা নামৰ এখন গাঁৱত বাস কৰিবলৈ আৰম্ভ কৰে। বহু বছৰ বাহিৰত থকাৰ বাবে মদিনাৰ লোকসকলে তেওঁক চিনিব নোৱাৰিছিল। তেওঁ মদিনাৰ কপটাচাৰী সকলৰ সৈতে লগ হৈ এই পৰিকল্পনা কৰিছিল যে মই ছিৰিয়াত গৈ খ্ৰীষ্টান শাসকক আৰু আৰবৰ খ্ৰীষ্টান জনগোষ্ঠীক উচটনি দিম যে তেওঁলোকে যেন মদিনাৰ ওপৰত আক্ৰমণ কৰে। এফালে তোমালোকে এইটো বিখ্যাত কৰি দিবা যে ছিৰিয়াৰ বাহিনীয়ে মদিনাৰ ওপৰত আক্ৰমণ কৰিবলৈ ওলাইছে।

আহি পোৱা খবৰৰ পৰিপ্ৰেক্ষিতত ৰছুলুল্লাহ (ছাঃ)য়ে এই সিদ্ধান্ত লৈছিল যে যদি আমি ৰোমানসকলৰ মুখামুখী হোৱাত পলম কৰো তেন্তে লোকচান বেছি হ'ব; সেয়েহে তেখেত (ছাঃ)য়ে ৰোমানসকলৰ আক্ৰমণৰ সুযোগ নিদিয়াকৈ তেওঁলোকৰ ভূখণ্ডত গৈ নিৰ্ণায়ক যুদ্ধ কৰিবলৈ সিদ্ধান্ত ললে।

সাধাৰণতে আঁহজৰত (ছাঃ)য়ে নিজৰ যুদ্ধ অভিযান গোপন ৰাখিছিল যদিও খায়বৰৰ পিছত তবুকৰ অভিযান এনেকুৱা আছিল যে তেখেত(ছাঃ)য়ে ৰাজহুৱা ঘোষণা কৰিছিল, ৰাস্তাৰ অসুবিধা আৰু শত্ৰুসকলৰ আধিক্যৰ কথা আগতীয়াকৈ জনাই দিছিল।

এই বছৰটো আছিল দুৰ্ভিক্ষ, খাদ্যৰ সংকট আছিল, মানুহে চিন্তিত হৈ শস্য গোটাবলৈ প্ৰস্তুতি চলাই আছিল, তেনেকুৱা সময়ত যুদ্ধত ওলাবলৈ ঘোষণা কৰা হৈছিল। গৰমৰ বতৰ আছিল, শ শ মাইল যাত্ৰা, ইয়াৰ ওপৰিও খাদ্যৰ সংকট আছিল। এই সকলোবোৰ সমস্যাৰ মাজতো যেতিয়া নবী কৰিম (ছাঃ)য়ে জেহাদলৈ যোৱাৰ আদেশ দিলে তেতিয়া নিষ্ঠাবান চাহাবাসকলে জেহাদৰ বাবে সাজু হ'বলৈ ধৰিলে।

সেই সময়ত সম্ভ্ৰান্ত চাহাবাসকলক আঁহজৰত (ছাঃ)য়ে কোৰবাণী কৰিবলৈ আহ্বান জনাইছিল। পোনপ্ৰথমে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে নিজৰ ঘৰৰ সকলো সম্পত্তি লৈ উপস্থিত হৈছিল। হজৰত উছমান (ৰাঃ)য়ে তিনি শ উট পালান ও কুজাও সহ (উটৰ ওপৰত বহাৰ বাবে ৰখা সামগ্ৰী) সেই যুদ্ধৰ সময়ত উত্থাপন কৰিছিল। আঁহজৰত (ছাঃ)য়ে কৈছিল যে ইয়াৰ পিছত উছমানে যি কৰিলে তাৰ কোনো দোষ নাই, এটা বৰ্ণনা অনুসৰি হজৰত উছমান (ৰাঃ)য়ে এই সুযোগত এহেজাৰ দিনাৰ উত্থাপন কৰিছিল। আন এটা বৰ্ণনা অনুসৰি হজৰত উছমান (ৰাঃ)য়ে সেই সময়ত এহেজাৰ উট আৰু সত্তৰটা ঘোঁৰা উপস্থাপন কৰিছিল। কিছুমান বৰ্ণনা অনুসৰি এই যুদ্ধৰ খৰচসমূহ হজৰত উছমান (ৰাঃ)য়ে বহন কৰিছিল।

হজৰত আব্দুৰ ৰহমান বিন আউফ (ৰাঃ)ৰ বিষয়ে উল্লেখ আছে যে তেওঁ সেই সময়ত এশ বা এটা বৰ্ণনা অনুসৰি দুশ বা চাৰি শ উকিয়া ৰূপ উপস্থাপন কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে জামাত আহমদীয়াৰ লোকসকলেও আৰ্থিক কোৰবাণীৰ গুৰুত্ব কি এই কথা বুজি পায়। সদায় মই ঘটনাসমূহ বৰ্ণনা কৰি থাকো, কিছুমান লোকসকলে প্ৰকৃততে তেওঁলোকৰ ওচৰত যি আছে সেই সকলোবোৰ আগবঢ়ায়। সম্ভ্ৰান্ত আৰু যোগ্যপ্ৰাপ্ত লোকসকলে হজৰত আবু বক্কৰ (ৰাঃ), হজৰত উমৰ (ৰাঃ) আৰু হজৰত উছমান (ৰাঃ)ৰ আদৰ্শ নিজৰ সন্মুখত ৰখা উচিত। আল্লাহ তা'লাৰ কৃপাত বহু সম্ভ্ৰান্ত লোক এনেকুৱা আছে যিসকলে উচ্চ মানদণ্ডৰ কোৰবাণী কৰি আছে।

এই উপলক্ষে সম্ভ্ৰান্ত লোকসকলৰ লগতে দুখীয়া আৰু দৰিদ্ৰ লোকসকলেও নিজৰ সামৰ্থ্য অনুসৰি আৰ্থিক কোৰবাণী আগবঢ়াইছিল। কপটাচাৰীসকলে এই দুখীয়া চাহাবাসকলৰ কোৰবাণীক লৈ উপহাস কৰিছিল যে তেওঁলোকে এমুঠি শস্য আগবঢ়াই ৰোমানসকলৰ সৈতে যুদ্ধৰ বাবে প্ৰস্তুতি চলাইছে। এই সময়ত মহিলা সকলেও নিজৰ গহনা আগবঢ়াই আৰ্থিক কোৰবাণীত অংশগ্ৰহণ কৰিছিল।

কপটাচাৰী সকলে নিজৰ সকলো শক্তি প্ৰয়োগ কৰি মুছলমান সকলক যুদ্ধলৈ যোৱাত বাধা দিবলৈ চেষ্টা কৰিছিল। কপটাচাৰী সকলে কৈছিল যে প্ৰচুৰ গৰম, আৰু যুঁজিবলৈ যোৱা শত্ৰুসকল

অতিশয় শক্তিশালী। মদিনাৰ মানুহবিলাক খেতিয়ক আছিল আৰু শস্যবোৰ সাজু কৰি আছিল। অৱশ্যে কপটাচাৰী সকলে জনসাধাৰণক যুদ্ধলৈ যাবলৈ বাধা দিছিল যদিও নিষ্ঠাবান চাহাবা সকলৰ ওপৰত সেই পৰিকল্পনাৰ কোনো প্ৰভাৱ হোৱা নাছিল। কপটাচাৰীসকলে হুজুৰ (ছাঃ)ৰ সন্মুখত আহি যুদ্ধলৈ নোযোৱাৰ অজুহাত দেখুৱাইছিল আৰু নবী (ছাঃ)য়ে তেওঁলোকক অনুমতি প্ৰদান কৰিছিল। অৱশ্যে পৱিত্ৰ কোৰআনে এই সকলো কপটাচাৰীৰ পৰ্দা মুকলি কৰি দিছে। কোৰআন কৰিমত আল্লাহ তা'লাই কৈছে যে যদি দূৰত্ব কম হ'লহেঁতেন, যাত্ৰা সহজ হ'লহেঁতেন তেন্তে তেওঁলোক আপোনাৰ পিছে পিছে গ'লহেঁতেন; কিন্তু কষ্ট সহ্য কৰাটো তেওঁলোকৰ পৰা বহু নিলগত। তেওঁলোকে নিশ্চয় আল্লাহৰ শপত খাব যে আমাৰ হাতত সামৰ্থ্য থাকিলে আমি তোমালোকৰ লগত ওলাই গ'লহেঁতেন। কিন্তু তেওঁলোকে নিজৰ আত্মাক ধ্বংস কৰি আছে। আল্লাই জানে যে তেওঁলোক মিছলীয়া। আল্লাই আপোনাক ক্ষমা কৰক, আপুনি তেওঁলোকক কিয় অনুমতি দিলে ? যিসকলে সঁচা কথা কৈছিল তেওঁলোকক ভালদৰে চিনি পালেহেঁতেন আৰু মিছলীয়াকো চিনি পালেহেঁতেন। যিসকলে আল্লাহ আৰু পৰকালত বিশ্বাস কৰে তেওঁলোকে নিজৰ জীৱন আৰু ধন-সম্পত্তিৰ সৈতে যুঁজিবলৈ পলায়ন নকৰে, আল্লাহ মুত্তাকিসকলক ভালদৰে জানে। কেৱল সেইসকল লোকে তোমাৰ পৰা আঁতৰি থাকিব বিচাৰে যিসকলে আল্লাহ আৰু পৰকালত বিশ্বাস নকৰে, তেওঁলোকৰ অন্তৰ সন্দেহৰে ভৰা, আৰু তেওঁলোকে নিজৰ সন্দেহত নিপতিত হৈ আছে। যদি তেওঁলোকে জেহাদৰ বাবে ওলাই যোৱাৰ ইচ্ছা কৰিলেহেঁতেন তেন্তে নিশ্চয় ইয়াৰ বাবে সাজু হ'লহেঁতেন। কিন্তু আল্লাই পছন্দ নকৰিলে যে তেওঁলোকে এই উচ্চ উদ্দেশ্যৰ বাবে থিয় হ'ব। সেইজনাই তেওঁলোকক তাতেই থাকিবলৈ দিলে আৰু তেওঁলোকক কলে যে বহি থকা সকলৰ সৈতে বহি থকা। যদি তেওঁলোকে তোমালোকৰ লগত যোগ দি জেহাদৰ বাবে ওলাই গ'লহেঁতেন তেন্তে তেওঁলোকে তোমালোকক বিবাদৰ বাহিৰে আন একো বৃদ্ধি নকৰিলেহেঁতেন আৰু নৈৰাজ্য বিয়পাই তোমালোকৰ মাজত দ্ৰুত বেগেৰে আৰোহী দৌৰালেহেঁতেন। আনহাতে তোমালোকৰ মাজত সেইসকলো আছে যিসকলে তেওঁলোকৰ কথা ভালদৰে শুনে আৰু আল্লাই অন্যায়কাৰীসকলক জানে। সঁচাকৈয়ে তেওঁলোকে আগতেও অন্যায় বিচাৰিছিল আৰু তোমাৰ সন্মুখত বিষয়সমূহ ওলোটাকৈ উপস্থাপন কৰিছিল, ইমানেই যে সত্য আহি গ'ল আৰু আল্লাহৰ সিদ্ধান্ত প্ৰকাশ পালে, আনহাতে তেওঁলোকে ইয়াক কঠোৰভাৱে অপছন্দ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াৰ বাকীখিনি পিছত বিশদভাৱে পৰৱৰ্তীত বৰ্ণনা কৰিম ইনশ্বা আল্লাহ-

পিছত হজুৰ আনোৱাৰ (আইঃ)য়ে ৰাবৱাৰ মছজিদত হোৱা আক্ৰমণত আহত হোৱা সাহসী খুদ্দামসকলৰ বিষয়ে উল্লেখ কৰি কৈছে যে যোৱা খোতবাত মই ৰাবৱা মছিজদত আক্ৰমণ হোৱা ঘটনা উল্লেখ কৰিছিলোঁ। যিসকল আহমদী যুৱক আঘাতপ্ৰাপ্ত হৈছে তেওঁলোকৰ বাবে দোৱা কৰিব, আল্লাহ তা'লা তেওঁলোকক সু-স্বাস্থ্য প্ৰদান কৰক। আল্লাহ তা'লা তেওঁলোকৰ পিছত আহিবলগীয়া সংকটৰ পৰা ৰক্ষা কৰক। বৰ্তমান তিনিজন যুৱক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসালয়ত ভৰ্তি আছে, বাকী পাঁচ জনৰ চিকিৎসা কৰি ঘৰলৈ পঠিওৱা হৈছে যদিও তেওঁলোকৰ ক্ষত ঠিক হোৱাত সময়

লাগিব। আল্লাহ তা’লা তেওঁলোকক সু-স্বাস্থ্য প্ৰদান কৰক আৰু জামাতৰ সদস্যসকলক সকলো ঠাইতে প্ৰত্যেক ধৰণৰ বেয়া আৰু ক্ষতিৰ পৰা সুৰক্ষিত ৰাখক।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে এজন প্ৰয়াত মাননীয় ছাম আলী নায়না চাহাব মাৰ্শ্বেল দ্বীপপুঞ্জৰ সদগতিৰ বিষয়ে উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰয়াতৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে। তেওঁৰ বংশৰ কিছুমান লোক আহমদী নহয় আল্লাহ তা’লাই তেওঁলোকক আহমদী গ্ৰহণ কৰাৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 17 OCT 2025**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB